অধ্যায় ১১ ঃ ভট্টদেৱ — *ভক্তি-বিবেক* - ২

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য

11.2 পৰিচয়

11.3 *ভক্তি-বিবেক*ৰ 'গুৰু-শিষ্য নির্ণয়' আৰু 'নাম-মাহাত্ম্য'ৰ মূল পাঠ

11.3.1 সাধাৰণ আলোচনা

11.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

11.5 অধিক জানিবলৈ

11.6 অগ্রগতিৰ খতিয়ান

11.7 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *ভক্তি-বিবেক*ৰ 'গুৰু-শিষ্য নির্ণয়' শীর্ষক দ্বিতীয় অধ্যায়টোৰ বিষয়বস্তু সম্পর্কে অৱগত হ'ব
- *ভক্তি-বিবেক*ৰ 'নাম-মাহাত্ম্য' অধ্যায়টোৰ বিষয়বস্তু সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- *ভক্তি-বিবেক*ৰ 'গুৰু-শিষ্য নির্ণয়' আৰু 'নাম-মাহাত্ম্য' অধ্যায় দুটাৰ জৰিয়তে ভট্টদেৱৰ ধর্মীয় আদর্শ কেনেদৰে প্রকাশ পাইছে সেয়া বিশ্লেষণ আগবঢ়াব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি আপুনি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্টদেৱ বা বৈকুণ্ঠনাথ ভাগৱত ভট্টাচার্যৰ জীৱন আৰু কৃতি সম্পর্কে বহলাই অধ্যয়ন কৰিলে। লগতে প্রকৰণ গ্রন্থৰ প্রণেতা হিচাপে ভট্টদেৱক জনাৰ উপৰি *ভক্তি-বিবেক* পুথিখনৰ বিষয়বস্তু তথা ধর্মতত্ত্ব সম্পর্কেও অধ্যয়ন কৰিলে। এইটো অধ্যায়ত পুথিখনৰ কিছু অংশ বহলাই অধ্যয়ন কৰিব।

আমাৰ পাঠ্যবিষয়ত *ভক্তি-বিবেক* পুথিখনৰ দ্বিতীয় অধ্যায় — 'গুৰু-শিষ্য নির্ণয়'ৰ সম্পূর্ণ পাঠ আৰু চতুর্থ অধ্যায় 'নাম মাহাত্ম্য'ৰ প্রথম 48 টা শ্লোক অন্তর্ভুক্ত কৰা হৈছে। 'নাম মাহাত্ম্য' অধ্যায়টি বহু দীঘলীয়া হোৱা বাবেই গোটেইখিনি পাঠৰ পৰিৱর্তে কিছু পাঠ নির্বাচিত কৰি দিয়া হৈছে। ইতিমধ্যে পূর্বৰ অধ্যায়তেই আমি উল্লেখ কৰি আহিছোঁ যে মূল সংস্কৃত গ্রন্থখনৰ পৰা উপেন্দ্রচন্দ্র লেখাৰুৱে অসমীয়ালৈ কৰা অনুবাদৰ পৰা এই মূল পাঠখিনি চয়ন কৰা হৈছে আৰু পাঠখিনিৰ আখৰ-জোঁটনিও সেই গ্রন্থ মতেই ৰখা হৈছে। এই পাঠখিনিৰ জৰিয়তেই আমি ভট্টদেৱৰ ধর্ম মতৰ কিছু আভাস লাভ কৰিব পাৰিম।

১১.৩ ভক্তি-বিবেকৰ 'গুৰু-শিষ্য নির্ণয়' আৰু 'নাম-মাহাত্ম্য'ৰ মূল পাঠ

দ্বিতীয় অধ্যায়

গুৰু-শিষ্য

সদ গুৰুৰ চৰণত শৰণ নোহোৱাকৈ উত্তম প্রাপ্তি নহয়। ইয়াত প্রবুদ্ধ বাক্যৰ দ্বাৰা গুৰু-শিষ্য নির্ণয় কৰা হৈছে।

গতিকে যিলোকে উত্তম মঙ্গল অর্থাৎ শ্রেষ্ঠ ভগৱৎ ভক্তি লক্ষণ জানিবলৈ ইচ্ছা কৰে তেওঁ শব্দব্রহ্ম আৰু পৰব্রহ্ম বিষয়ৰ যথার্থ তত্ত্বজ্ঞানী আৰু উপশান্ত গুৰুৰ শৰণাপন্ন হব।।৩০

—শ্রীভাঃ ১১/৩/২১

তত্ত্বদর্শী জ্ঞানীসকলে তোমাক সেই জ্ঞানৰ উপদেশ দিব, তুমি তেওঁলোকৰ ওচৰত দণ্ডৱৎ নমস্কাৰ কৰি সেৱা জনাই নানা প্রশ্ন কৰি সেই উপদেশ বুজি লোৱা।৩১ (গীতা ৪ /৪৩)

ক্ষৰ অক্ষৰবো ওপৰৰ পুৰুষোত্তমেই যাৰ মূল্য, হিৰণ্যগর্ভাদি যাৰ শাখা, এনে নশ্বৰ অথচ প্রবাহৰূপে সদায় থকাৰ কাৰণে যাকঅব্যয় বোলে, ধর্ম্মাধর্ম্ম প্রতিপাদন কৰা বেদসমূহ যাৰ পত্র, সেই অশ্বত্থক যিজনে জানে তেওঁকে বেদজ্ঞ বোলে।৩২ (গীতা ১৫ /১)

আত্মনিয়ন্ত্রিত হলে কেৱল সাৱিত্রীমন্ত্র জানিলেও ৱৰং ভাল, কিন্তু অনিয়ন্ত্রিত হৈ তিনি বেদ জানিলেও তেওঁ সর্ব্বভূক আৰু সর্ব্ববিক্রয়ী।৩৩ (মনু ২ /১১৮)

সংশয় দূৰ কৰিব পাৰে শাস্ত্রজ্ঞই কিন্তু পৰমার্থত ভক্তিনিষ্ঠ লোকহে গুৰু হব পাৰে। ভগৱন্তই কৈছে—

মোক জনা, মোৰ তুল্য শান্ত গুৰুক উপাসা কৰিব লাগে। — (শ্রীভাগৱত ১১ /১০/৫)

পদ্মপু�ৰাণত কৈছে—

মহাভাগৱত শ্রেষ্ঠ ব্রাহ্মণেই লোকসকলৰ গুৰু। ব্রহ্মাৰ দৰে তেওঁ সকলো লোকৰে পূজা ।৩৪

কেৱল যে ব্রহ্মাৰ দৰেহে সি নহয়। তেওঁ ভগৱন্ত নিজেই। ভগৱন্তই মার্কণ্ডেয়ৰ আগত কৈছে—

হে দ্বিজশ্রেষ্ঠ ময়ে ভগৱন্তৰূপে প্রচ্ছন্নবিগ্রহ হৈ সদায় লোক-সকলক ৰক্ষা কৰোঁ।৩৫

(বৃ. না. পু. ৫৩৫)

স্কন্দ পুৰাণত—

হৰিভক্তিযুক্ত লোকেই জ্ঞানী, যোগীশ্রেষ্ঠ আৰু কর্ম্মনিষ্ঠা।৩৬

ভক্তি নহলে সকলো শাস্ত্র জানিলেও গুৰু হব নোৱাৰে।

পদ্মপুৰাণত উত্তৰ খণ্ডত আছে —

শ্রেষ্ঠকুলত জন্মিলেও, সকলো যজ্ঞত দীক্ষিত হলেও, সহস্র-শাখা অধ্যয়ন কৰিলেও, অবৈষ্ণৱজন কেতিয়াও গুৰু হব নোৱাৰে।৩৭

কিয়নো গুৰু হব নোৱাৰে এই সম্বন্ধে কৈছে—

যি লোকে বিষ্ণুভক্তিৰ বাহিৰে আন ধর্ম্মৰ উপদেশ দিয়ে তেওঁলোক সদায় অন্ধকূপত থাকে।৩৮

ভাগৱতত ঋষভে কৈছে —

মৃত্যু বা সংসাৰ যি মোচন কৰিব নোৱাৰে তেওঁ গুৰু, স্বজন, পিতা,পতি আদি একো নহয়। গতিকে ভক্তিযুক্ত জনেই ভুবন উদ্ধাৰ কৰিব পাৰে দেখি তেওঁকে সকলোৰে গুৰু বুলি ভগৱন্তই কৈছে।৩৯

(শ্রীভাগৱত ৫ /৫/১৮)

যাৰ কথা গদগদ্, যাৰ চিত্ত দ্রৱিভূত হৈছে, হাঁহে আৰু কেতিয়াবা কান্দে,কেতিয়াবা লাজ কৰে, কেতিয়াবা গায়, আৰুকেতিয়াবা নাচে, এনে ভক্তিযুক্ত লোকে ভুবন পৱিত্র কৰে। ৪০

(শ্রীভাগৱত ১১/১৪/২৪)

বায়ু পু�ৰাণত—

একচিত্তে গোবিন্দৰ নাম কীর্ত্তন কৰোতা পৱিত্র ধন্য লোকেই পৃথিৱী ধাৰণ কৰে। ৪০

নাৰদীয় পুৰাণত (৯/১২৮) —

হৱিৰ সেৱক হৈ যিজনে নিজক তাৰিছে, তেওঁ গোটেই জগতকে তৰাব পাৰে বুলি পণ্ডিতসকলে কয়। ৪২

এতেকে হৱিপৰায়ণ লোকেই গুৰু। নাৰদে কৈছে—

কৃষ্ণই পৰম আত্মা, যাৰ পৰা কোনো ভয় নাই। ইয়াকে যিজনে জানে তেৱেঁই বিদ্বান। যি বিদ্যান তেৱেই হৱিগুৰু। ৪৩— শ্রী ভাঃ ৪/২৯/৫১

এই দৰে গুৰু নির্ণয় কৈ শিষ্যৰ কৃত্যৰ কথা কৈছে।

যি হৱিৰ গুৰুৱেই আত্মা, গুৰুদেৱেই দেৱতা, এনে ভক্তক আত্মা দান কৰা হৱিক অকপট সেৱাৰ দ্বাৰা তুষ্ট কৰিব লাগে। এই ভাগৱত ধর্ম্মকে শিক্ষা কৰিব লাগে। 44 শ্রীভাঃ 11û3û22

পঞ্চৰাত্রত দেৱতাৰ কথা কৈছে —

গুৰুৱেই ব্রহ্মা, গুৰুৱেই বিষ্ণু, গুৰুৱেই মহেশ্বৰ, গুৰুৱেই পৰম ব্রহ্ম। সেই শ্রীগুৰুক নমস্কাৰ। ৪৫

এনে গুৰুক তুষ্ট কৰিব লাগে। পদ্মপুৰাণত আছে —

মানুহে গুৰুক যি যি ভাবে সেৱা কৰে, কৰুণাময় ভগৱন্তই সেই সেই ভাবেই কৃপা কৰে।। ৪৬

শ্রুতি বাক্য—

যাৰ দেৱতাত পৰাভক্তি আৰু দেৱতাত যি ভক্তি গুৰুতো সেই ভক্তি হয় তেওঁৰ আগত উপদিষ্ট জ্ঞান প্রকাশ পায়। ৪৭ (শ্বেতাশ্বতৰ উপনিপদ ৬/২৩)

আত্মীয়ৰ চিনাকি স্কন্দপুৰাণত এই দৰে দিছে —

তেৱেঁ মাতা, তেৱেঁ পিতা, তেৱেঁ প্রভু, তেৱেঁ হৰি, বন্ধু, সুহৃদ, তেৱেঁই, যিজনে হৱিপাদপদ্ম লাভৰ উপদেশ দিয়ে। ৪৮

জগদ্গুৰুৱো চিনাকী দিছে —

বিষম কালৰ পৰমবন্ধু এজন, তেওঁ সকলো ধর্ম্মৰে আত্মা গুৰু হৱিয়েই। 49

শ্রীভগৱন্তই কৈছে— হে সখি, ময়ে গুৰু, বন্ধু।

শ্রীগুৰুৰচৰণ আশ্রয় নকৰাকৈ যিজনে বিপদসংকুল সংসাৰ পাৰ হ'ব খোজে তেওঁ ঠিক গুৰিয়াল নধৰাকৈ সাগৰত বণিজ কৰিবলৈ যোৱা বণিকৰ তুল্য। ৫০ (শ্রীভাগৱত ১০/৮৭/৩৩)

হে গুৰু ভগৱন্ত, তোমাৰ শ্রীচৰণত যেতিয়া মোৰ মনে স্থিতি লাভ কৰিব তেতিয়াই মোৰ সাধন শ্রম সার্থক হব। ৫১

গতিকে ভক্তিদাতা গুৰু অত্যন্ত পূজ্য। পুৰুষ গুৰু তিনিজন। শ্রীভগৱন্তই কৈছে—

যাৰ পৰা জন্ম লাভ হয় সেই পিতা প্রথম গুৰু, যাৰ পৰা উপনয়ণ বেদাধ্যপনা আদি সংকর্ম্ম হয় সেই দ্বিতীয় গুৰু আৰু তৃতীয় গুৰু ব্রহ্মজ্ঞান দিয়া জন। ৫২ (শ্রীভাগৱত ১০/৮০/৩২)

অদীক্ষিতৰ সকলো কামেই নিস্ফল হয় আৰু অদীক্ষিতজনে পশুযোনি লাভ কৰে। ৫২

নাৰদীয় পুৰাণত— (৯/৯৮-১০০)

বেদমন্ত্র ব্যাখ্যা কৰোঁতা অধ্যাপক, পিতা আৰু ধর্ম্ম বক্তা এই সকলেই বিশেষ গুৰু । এই সকলৰ ভিতৰত হৰিভক্তি ধর্ম্ম বক্তাজনেই প্রধান বা পৰম গুৰু।

হে ব্রাহ্মণ, এই সংসাৰত বর্ণাশ্রমী সকলৰ ভিতৰত যিসকলে জন্মগ্রহণ কৰিছে, তেওঁলোকো তত্ত্বোপদেষ্টা গুৰুৰূপী মোৰ সহায়ত মোৰ উপদেশ লাভ কৰা মাত্রেই আৱশ্যকীয় বিষয়ত ব্যুৎপত্তি লাভ কৰি নিশ্চয় সংসাৰ সাগৰ অনায়াসে পাৰ হয়। 55 শ্রীভাঃ 10û80û33

গতিকে গুৰুভজনতকৈ ডাঙৰ ধর্ম্ম নাই —

হে সখি, মই সকলো ভূতৰ আত্মা, তথাপি মই গুৰু শুশ্রূষাৰ দ্বাৰা যেনে সন্তুষ্ট হওঁ গৃহস্থ ধর্ম্ম, ব্রহ্মচাৰী ধর্ম্ম, বানপ্রস্থ ধর্ম্ম বা যতি ধর্ম্মৰ দ্বাৰাও তেনে সন্তুষ্ট নহওঁ। 56

শ্রীভাঃ 10û80û34

বিষ্ণু ৰহস্যত—

গতিকে সকলো যত্নৰে গুৰু আৰু বিষ্ণুক অভেদ স্বৰূপে যি অর্চ্চনা কৰিব তেওঁ মুক্তি পায়। 57

বিষ্ণু ধর্ম্মোত্তৰত—গুৰুশুশ্রূষা নামৰ ধর্ম্মই উত্তম ধর্ম্ম। ইয়াতকৈ পৱিত্র পৰম ধর্ম্ম আৰু নাই।58

যিহেতু গুৰুৰেই ভগৱন্ত আৰু তেওঁৰ ভজনতকৈ আন ধর্ম্ম নাই। গতিকে গুৰুৰ অৱমাননা কৰা উচিত নহয়।

গুৰু সর্ব্বদেৱময়, মোক গুৰু বোধে জানিবা, কেতিয়াও অৱমাননা নকৰিবা, মর্ত্ত্যবুদ্ধিত অসূয়া নকৰিবা।।59 শ্রীভাঃ 11û17û27

মর্ত্ত্যবুদ্ধি কৰিলে দোষ হয়। নাৰদে কৈছে —

সাক্ষাৎ ভগৱন্ত স্বৰূপ জ্ঞানপ্রদীপ দিওঁতা গুৰুক অসতী বুদ্ধিৰে মানুহ বুলি ধৰিলে তেওঁৰ সকলো হাতীৰ গোৱৰৰ দৰে অসাৰ হয়।। 60 শ্রীভাঃ 7û15û26

অৱমাননা কৰিলে নৰকগতি হয়। পদ্মপুৰাণত আছে— এই সত্য গুৰুক যিজনে মোহান্ধ হৈ অৱমাননা কৰে সেইজনে কৌটিকল্প নৰকযন্ত্রণা ভুগিব লাগে ইয়াত সংশয় নাই।। 61

গুৰু পৰিত্যাগ কৰিলে অপৰাধ হয়। ব্রহ্মবৈবর্ত্ত পুৰাণত আছে—

গুৰু এৰিলে বোধ কলুষিত হয়, দুষ্টবুদ্ধি প্রকাশ পায়। যিজনে গুৰু এৰে তেওঁ পৰম হৰিক ত্যাগ কৰে। 62

গুৰুৰ আজ্ঞা পালন নকৰিলে অপৰাধ হয়। অগস্ত্য সংহিতাত কৈছে —

হে মুনিসত্তম, যি লোকে গুৰুৰ আজ্ঞা পালন নকৰে সেই অধম পাপিষ্ঠ লোকৰ নৰকক্লেশ হয় নিস্তাৰ নাই।। ৬৩

সংসাৰতো মহা দুখ হয়—

যি শিষ্য গুৰুৰ অবাধ্য আৰু যি গুৰুক অৱমাননা কৰে তেওঁ পুত্র, মিত্র, ভার্য্যা আদি সম্পদৰ পৰা বঞ্চিত হয়।

মোহত পৰি গুৰুক যি লোকে তিৰস্কাৰ কৰে সেই লোকে শত জন্ম পর্য্যন্ত শূকৰত্ব পায়।। 64

সদায় পাপ কর্ম্মত ৰত, মূর্খ, গুৰুদ্রোহীৰ কেতিয়াও পুণ্য নহয়, পাপহে হয়।। 66

এনে গুৰু পৰিত্যাগ কৰিলেও দোষ নহয় বুলি উদ্যোগ পর্ব্বত ভীষ্মই পৰশুৰামক কৈছে —

সংসাৰাসক্ত, কার্য্য অকার্য্য নজনা উশৃঙ্খল হ'লে গুৰুক পৰিত্যাগ কৰা উচিত।। ৬৬

—মহাভাৰত ৫।১৭৯।২৫

এতিয়া শিষ্যৰ লক্ষণ কৈছে —

বিনয়ী, মাৎসর্য্যহীন, উদ্যোগী, ধনাদিত মমতাশূণ্য, গুৰু আৰু শ্ৰী হৰিৰ প্ৰতি দৃঢ় ভক্তিযুক্ত, অব্যগ্ৰ, আৰু তত্ত্বজ্ঞানাকাঙ্ক্ষী, ঈৰ্ষাশূন্য আৰু সত্যবাদী লোকেই শিষ্য হোৱাৰ যোগ্য।। 67 —শ্ৰীভাঃ ১১।১০।৬

যদিও গুৰু সকলোৰে প্ৰতি সমদৰ্শী তথাপি সেৱকৰ প্ৰতিহে তেওঁ কৃপা কৰে—

মোৰ লৰালিৰ চাঞ্চল্য নাছিল, খেল-ধেমালিৰ বস্তুৰ প্ৰতি ৰতি নাছিল, ৰৰং মই সদায় শান্ত, মিতভাষী, সেৱাপৰায়ণ আৰু বাধ্য আছিলোঁ। এই বাবে মুনিসকলে সমদৰ্শী হলেও মই ল'ৰা বুলিয়ে মোৰ ওপৰত বৰ কৃপা কৰিছিল। 68 —শ্ৰীভাঃ ১।৫।২৪

উপদেশ দিওঁতে অধিকাৰী অনধিকাৰীৰ বিচাৰ কৰিব লাগে। ভগৱন্তই কৈছে—

তুমি ইয়াক অহঙ্কাৰী, নাস্তিক, শঠ, অসেৱক,অভকত, দুৰ্বিনীত লোকক নিদিবা। এইবোৰ দোষ নথকা প্ৰিয় ব্ৰহ্মণ্য লোকক সাধু, পৱিত্ৰ লোকক কবা, ভক্তি শ্ৰদ্ধাযুক্ত হলে শূদ্ৰ আৰু তিৰোতা হলেও কব লাগে। 69 —শ্ৰীভাঃ ১১।২৯।৩০-৩১

প্ৰহ্লাদৰ বাক্যতো এই কথাই প্ৰকাশ পাইছে— হে দৈত্য-বালকসব, মোৰ কথাত শ্ৰদ্ধা হলে তোমালোকৰো সংসাৰ দূৰ কৰা ভগৱন্তৰ প্ৰতি মতি হব। স্ত্ৰী, বালকৰো এনে বুদ্ধি হব পাৰে- যিদৰে মোৰ হৈছে।৭০ —শ্ৰীভাঃ ৭।৭।১৭

নাৰদীয় পু�ৰাণত (৪/৬) কৈছে—

শ্ৰদ্ধাযুক্ত লোকে ধৰ্ম্ম, অৰ্থ লাভ কৰে। শ্ৰদ্ধাৰ দ্বাৰা কাম্য ফল পায়, শ্ৰদ্ধাৱন্তই মোক্ষ পায়।।৭১

উত্তৰাধিকাৰী নিৰ্ণয় কৰি গুৰু শুশ্ৰূষাৰ প্ৰকাৰ কৈছে।

সান্দীপনি দ্বিজৰ বাক্য-

শিষ্যসকলে সকলো প্ৰকাৰে বিশুদ্ধভাবে গুৰুত আত্মসমৰ্পন কৰি সেৱা কৰিব লাগে।।৭২

—শ্ৰীভাঃ ১০।১৮।৪১

তেতিয়া তেওঁৰ প্ৰিয়তম পুত্ৰ মহামুনি নাৰদে মায়াৰ ঈশ্বৰ বিষ্ণুৰ মায়া জানিবলৈ শীলতা, বিনয় আৰু ইন্দ্ৰিয় দমন আচৰণ কৰি নানা প্ৰকাৰে তেওঁৰ সেৱা কৰিব ধৰিলে। হে মহাৰাজ, ভগৱন্তৰ ভক্ত দেৱৰ্ষি নাৰদে সেইদৰে সেৱাৰ দ্বাৰা তেওঁৰ পিতৃ ব্ৰহ্মাৰ সন্তোষ সাধন কৰিছিল।৭৩ —শ্ৰীভাঃ২।৯, ৪০, ৪১

আৰু শুকদেৱে কলে, অচ্যুত ভাৰত সিদ্ধ সেই কুৰুশ্ৰেষ্ঠ বিদুৰ গঙ্গাদ্বাৰত আসনত থকা অগাধবোধ মৈত্ৰেয় ঋষিৰ সৌশীল্যাদি গুণত পৰিতৃপ্ত হৈ তেওঁক সুধিলে।।৭৪ —শ্ৰীভাঃ ৩/৫/১

জ্ঞানীলোকৰ গুৰুসেৱাৰ কথা কৈ ভক্তই সকলো সময়তে সৎসঙ্গ লোৱাৰ কথা কৈছে —

তেনে লোকে শ্ৰদ্ধাৰে, অসূয়াশূন্য হৈ আদৰেৰে, ব্ৰহ্ম বস্তুক নজনা কালৈকে ভক্তিভাৱে মোৰ স্ৱৰূপ গুৰুৰ সেৱা কৰিব।। ৭৫ — শ্ৰীভাঃ ১১/১৮/৩৯

কৃতাৰ্থ হলেই গুৰু সেৱা আৰু কৰিব নালাগে এনে নহয়। (প্ৰহ্লাদৰ নৃসিংহদেৱৰ প্ৰতি স্তুতিত) হে ভগৱন্ত, সদায় কাম্যবিষয় কামনাকাৰী অৰ্থাৎ জন্মৰূপ সৰ্পযুক্ত কূপত পৰা এই লোক সমূহৰ প্ৰসঙ্গত ময়ো সেই কূপত পৰিছিলো। তেতিয়া আপোনাৰ ভৃত্য দেৱৰ্ষি নাৰদে মোক নিজৰ অধীন কৰি আপোনাৰ দৰে কৃপা কৰিছিল, সেই মই কেনেকৈ আপোনাৰ ভৃত্যৰ সেৱা পৰিত্যাগ কৰিব পাৰোঁ? ৭৬

— শ্ৰীভাঃ ৭।৯।২৮

(কৃতাৰ্থ হোৱাৰ পিছতো গুৰু সেৱা ভক্তৰ নিত্য ধৰ্ম্ম ইয়াকে কোৱা হৈছে।)

ভক্তি-বিবেকৰ গুৰু-শিষ্য নিৰ্ণয় নামৰ দ্বিতীয় অধ্যায় সমাপ্ত।

*****

চতুর্থ অধ্যায়
নাম মাহাত্ম্য

নামৰ অপৰিমিত মাহাত্ম্য বর্ণনা কৰা হৈছে। পদ্মপুৰাণত নামৰ সাত কার্য্যৰ কথা কৈছে—

বিষ্ণুৰ নামে মানুহৰ পাপ হৰণ কৰে, পুণ্য দিয়ে, স্বর্গা দিস্থানভোগৰ পৰা বিৰতি আনে, গুৰুৰ শ্রীপদদ্বয়ত ভক্তি দিয়ে, বিষ্ণুৰ তত্ত্বজ্ঞান দিয়ে, জন্মভ্রান্তিৰ বীজ দহন কৰি প্রশান্ত সম্পূর্ণানন্দ বোধ দিয়ে।। ১৭৩

আর্য্যবাক্য —

সোণ অপহৰণকাৰী, সুৰাপায়ী, মিত্রদ্রোহী, ব্রহ্মঘাতী গুৰু- পত্নীগামী, স্ত্রীহত্যাকাৰী, ৰজা আৰু গোহত্যাকাৰী, আৰু আন আন পাপকাৰী পাপিষ্ঠসকলৰ বিষ্ণুৰ নাম উচ্চাৰণেই শ্রেষ্ঠ প্রায়শ্চিত্ত। কিয়নো নামোচ্চাৰণত ভগৱন্তৰ প্রতি মতি হয় আৰু বিষ্ণুৱে সর্ব্বভাৱে ৰক্ষা কৰে।। ১৭৪ —শ্রীভাঃ ৬।২।৯,১০

পদ্মপুৰাণত—

যিজনে অনাময় নিত্য নাৰায়ণৰ নাম কীর্ত্তন কৰে তেওঁ মহাঃ পাতকৰ সঙ্কটৰ পৰা পৰিত্রাণ পায়, ইয়াত সন্দেহ নাই।। ১৭৫

স্কন্দপুৰাণত-

গোবিন্দৰ নাম কীর্ত্তন কৰিলে অভক্ষ্য ভক্ষণ আৰু অগম্যাগমনৰ পাপ নাশ হয়, ইয়াত সন্দেহ নাই। হেমহামুনি সোণ চুৰকৰা, সুৰাপান আৰু গুৰুপত্নীগমণ আদি পাপ গোবিন্দৰ নাম কীর্ত্তনত তৎ ক্ষণাৎ নাশ পায়।। ১৭৬

হত্যাজনিত সহস্র পাপ, গুৰুপত্নীসেবন, অসংখ্য অপহৰণৰ পাপ গোবিন্দ নামে তৎক্ষণাৎ নাশ কৰে।। ১৭৭

অগ্নিপুৰাণত—

বল কৰি ব্রাহ্মণৰ সর্ব্বস্ব হৰণ কৰিলেও, সুৰাপান বা ব্রহ্মবধ পাপ কৰিলেও বিষ্ণুৰ্কীত্তনৰ দ্বাৰা পৰিত্র হয়।। ১৭৮

বায়ুপুৰাণত—

হে নাৰদ, গোবধ, স্ত্রীবধ, অপহৰণ, ব্রহ্মবধ আদি পাপ গোবিন্দ কীর্ত্তনৰ দ্বাৰাই দূৰ হয়।। ১৭৯

এইদৰে বিষ্ণুৰ নামেই সকলো পাপ ক্ষয় কৰে। শুকদেৱেকৈছে-

জানি বা নাজানি কাঠৰ মাজত জুই পেলালে যিদৰে সেই জুয়ে কাঠ দগ্ধ কৰে, সেইদৰে মানুহে জ্ঞানে বা অজ্ঞানে ভগৱন্তৰ নাম উচ্চাৰণ কৰিলে তেওঁৰ পাপবোৰ সেই নামে দগ্ধ কৰে।। ১৮০

—শ্রীভাঃ ৬।২।১৮

স্কন্দপুৰাণত —

ভুলতে হাত দিলেও অগ্নিয়ে যিদৰে পোৰে সেইদৰে ওঠত উচ্চাৰিত হলে হৰিনামে পাপ দহন কৰে।। ১৮১

বৈষ্ণৱ পুৰাণত —

অবশ হৈও নাম কীর্ত্তন কৰিলে সিংহৰ পৰা ভয় পোৱা পশু ত্রাণ পোৱাৰ দৰে মানুহ সকলো পাপৰ পৰা তৎক্ষণাৎ মুক্তি পায়।। ১৮২ —বি. পু.ঃ ৬।১৯

ইতিহাসোত্তমত— পৰম আশ্চয্যকর্ম্ম হৰি মহেশ্বৰৰ নাম যি নৰে প্রসঙ্গত শুনে বা কীর্ত্তন কৰে

তেওঁৰ সকলো পাপ দহন কৰে।। ১৮৩

হে যমদূতসকল, পুত্রাদিৰ সঙ্কটেই হওক বা পৰিহাসৰ ছলতেই হওক, বা গীত, আলাপন আদিৰ বাবেই হওক, বা আজ্ঞা ভাবেই হওক, নাৰায়ণৰ নাম যি কোনো ৰূপে গ্রহণ কৰিলে অশেষ পাপ নাশ হয়।।১৮৪ —শ্রীভাঃ ৬।২।১৪

স্কন্দপুৰাণত —

পৃথিবীত যি লোক গোবিন্দৰ নামপৰায়ণ হয় তেওঁৰ কীর্ত্তন কৰিলেও সহস্র পাপ দূৰ হয়।

কলিত যি লোক ভগৱৎ পৰায়ণ হয় তেওঁৰ মাতৃয়েই আচল পুত্রৱতী আৰু পিতৃসকলৰ তেওঁ ধুৰন্ধৰ।। ১৮৫

স্বপ্নতো মানুহৰ নাম স্মৰণ হলে অক্ষয় পাপৰাশি ক্ষয় হয়। তেনে স্থলত জাগ্রত অৱস্থাত জনার্দ্দনৰ নামকীর্ত্তন কৰিলে কি নহব।১৮৬ গৰুড় পুঃ খঃ ২৩২।১৩

কেৱল বর্ত্তমান জন্মৰে পাপ হৰণ নকৰে, পূর্ব্বজন্মত কৰা পাপো হৰণ কৰে।

বিষ্ণুদূতৰ বাক্য —

এই ব্রহ্মণ অজামিলে কোটিকোটি জন্মৰ পাপৰো প্রায়শ্চিত্ত কৰিছে, যিহেতু অৱশ অৱস্থাতো তেওঁ হৰিৰ পৰম মোক্ষ দিয়া নাম উচ্চাৰণ কৰিছে।।১৮৭ —শ্রীভাঃ ৬।২।৭

পৰম শ্রদ্ধাৰে যিজনে হৰি এই দুই অক্ষৰ উচ্চাৰণ কৰে। তেওঁৰ মুক্তি হয়।।১৮৮

বৃহদ্বিষ্ণুপুৰাণত —

পুনৰ আবৃত্তি হোৱা যোগ ক'ত আৰু মুক্তিৰ বীজ বাসুদেৱৰ নাম জপ ক'ত।। ১৮৯

ব্রহ্মাবাক্য —

যিজনে মৰণকালত অৱতাৰী গুণ, কর্ম্ম বিড়ম্বৰ নাম অনিচ্ছাৰেও লয় তেওঁ অনেক জন্মৰ পাপৰ পৰা উদ্ধাৰ পাই অমৃত লাভ কৰে। ১৯০ —শ্রীভাঃ ৩।৯।১৫

স্কন্দপুৰাণত —

যদি পূর্ব্বজন্মত কৰা পাপ ক্ষয় কৰিব খোজা তেনেহলে সদায় গোবিন্দৰ কীর্ত্তন কৰিবা।। ১৯১

পদ্মপুৰাণত-

সহস্র কোটি জন্মান্তৰত যি পাপ কৰা হৈছে গোবিন্দ কীর্ত্তনৰ পৰা সেইবোৰ দূৰ হয়।।১৯২

লঘু ভাগৱতত —

গোবিন্দকীর্ত্তনৰূপ অনলে অতীত, বর্ত্তমান, ভৱিষ্যতৰ সকলো পাপকে তৎক্ষণাৎ দহন কৰে।।১৯৩

স্কন্দপুৰাণত—

বাসুদেৱৰ কীর্ত্তনত বহুজন্মৰ মহাপাপ তৎক্ষণাত ধ্বংস হয়। ১৯৪

পৰাশৰ সংহিতাত ব্যাসে সাম্বকুমাৰক কৈছে—

নানা ঔষধ ব্যৱহাৰ কৰিও ব্যাধিৰ দুখ দূৰ কৰিব নোৱাৰে কিন্তু হৰিনাম ঔষধ পান কৰি ব্যাধি দূৰ কৰিব পাৰি। ইয়াত সংশয় নাই।। কোটি জন্মৰ আর্জ্জিত পাপৰ শান্তি ঔষধৰ দ্বাৰা লাভ নহয়, কিন্তু ভৰ ব্যাধিৰ মহৌষধ হৰিনাম কীর্ত্তন কৰিহে শান্তি পোৱা যায়।। ১৯৫

স্কন্দপুৰাণত —

যাৰ স্মৰণ আৰু নামকীর্ত্তনৰ পৰা আধি ব্যাধি তৎক্ষণাৎ নাশ পায় সেই অনন্তক নমস্কাৰ কৰোঁ।১৯৬

বৃহদ্বিষ্ণুপুৰাণত—

হৰিৰ নাম কীর্ত্তনৰপৰা সকলো ৰোগ আৰু উপদ্রৱ নাশ পায় আৰু সকলো দুখৰ শান্তি হয়।।১৯৭

বহ্নি পুৰাণত —

মহাব্যাধি, ৰাজপীড়া আদিৰ পৰা পীড়া পোৱা লোকে নাৰায়ণৰ নামকীৰ্ত্তন কৰি মুক্তি পায়।।১৯৮

ব্রহ্ম পুৰাণত—

মই সত্যে সত্যে কওঁ, অচ্যুতানন্দ গোবিন্দ নাম উচ্চাৰণৰ পৰা সকলো ৰোগ নাশ পায়।১৯৯

বিষ্ণুধৰ্ম্মোত্তৰত—

আৰ্ত্ত, বিষন্ন, বিষয়ত অভিভূত হোৱা আৰু ঘোৰ ব্যাধিত পচি থকা লোকে নাৰায়ণ শব্দ মাত্র কীৰ্ত্তন কৰি দুখৰ পৰা মুক্তি পাই সুখী হয়।।২০০

যদি হৰিৰ নামেই সকলো পাপ দূৰ কৰে তেনেহলে প্রায়শ্চিত্তৰ কথা কিয় কোৱা হৈছে, এই সম্বন্ধে মাণ্ডব্য স্মৃতিত কৈছে-

হৰিৰ নামে হৰণ কৰিব নোৱাৰা পাপেই নাই। অতিৰেক ভয়ৰ বাবে প্রায়শ্চিত্তৰ কথা পণ্ডিতসকলে কৈছে।।২০১

ইতিহাসোত্তমত—

বিষ্ণুৰ নামৰ অশুভ ক্ষয় কৰাৰ যিমান শক্তি আছে কুকুৰ- ভোজীলোকেও যত্ন কৰি সিমান পাপ কৰিব নোৱাৰে।২০২

বৃহদ্বিষ্ণুপুৰাণত—

হৰিৰ নামৰ যিমান পাপহৰণ ৰ শক্তি আছে, সিমান পাপ কোনো পাতকী নৰে কৰিব নোৱাৰে।।২০৩

তন্ত্রত আছে—

শিবৰজাৰ প্রতি নাৰদৰ বাক্য— হে মহাৰাজ, হৰিনামে দহন কৰিব নোৱাৰা পাপৰ কথা মানুহে শুনাই নাই।। ২০৪

হৰিৰ নামৰ পৰা পাপ কিছুকাল আঁতৰি থাকি আকৌ আহিব পাৰে, এই আশঙ্কা সম্বন্ধে ভবিষ্যোত্তৰ পুৰাণত কৈছে—

কোটি পাপ থাকিলেও হৰিৰ নাম-কীৰ্ত্তনপৰায়ণ হলে সেই পাপবোৰে আৰু বাধা নজন্মায়।।২০৫

ভগৱন্তৰ নাম থকা স্বত্বেও মানুহ নৰকত পৰে ই বৰ আচৰিত।

গৰুড় পুৰাণত আছে—

নাৰায়ণ হেন নাম আছে, নিজৰ বশৱৰ্ত্তী বাক্য আছে। তথাপি মানুহ এনে মূঢ় যে নৰকত পৰে, ই বৰ অদ্ভুত কথা। (গৰুড় পুৰাণ পূর্ব্বখণ্ড ২৩২/৯)২০৬

নাৰদীয় পুৰাণত—

দুৰাত্মাবিলাকৰ কি মুর্খামি, কি মুর্খামি, কি মূর্খামি যে বিষ্ণুৰ নাম থকা স্বত্বেও নৰকত পৰে।।২০৭

—না. পু.ঃ ৩২ অধ্যায়।

নামৰ পাপ হৰণ গুণৰ কথা কৈ এতিয়া পুণ্য উৎপাদন গুণৰ কথা কৈছে—

স্কন্দপুৰাণত—

পুৰা, দুপৰীয়া বা ৰাতি গোবিন্দৰ নাম কীৰ্ত্তন কৰি শত কোটি জন্মৰ পুণ্য লাভ কৰে।।২০৮

বামন পুৰাণত—(৯৪।৬২$^{১}/_{২}$+৬৩$^{১}/_{২}$)

বিষ্ণুৰ নাম কীৰ্ত্তনৰ পৰাই সহস্রকোটি তীর্থ, শতকোটি দানৰ ফল লাভ কৰে।।২০৯

বায়ুপুৰাণত—

শতব্রহ্মাণ্ড দানত যি ফল লাভ হয় বুলি কয় গোবিন্দ নাম কীর্ত্তনতে সেই ফল লাভ হয়। কোটি কপিলা দান বা অযুত কণ্যা দানৰ যি ফল হৰি কীর্ত্তনৰো সেই ফল।। ২১০

পাতঞ্জল সংহিতাত—

শস্যপূর্ণা পৃথিৱী দান কৰি যি ফল ভোগ কৰে, বাসুদেৱ বুলি কীর্ত্তন কৰিলে তৎক্ষণাৎ সেই ফল ভোগ কৰে।।২১১

শ্রীভাগৱতত—

যিসকলে ভগৱন্তৱ নাম লয় তেওঁলোকে আচল মতে তপস্যা কৰিছে, যজ্ঞাদি কৰিছে, তেওঁলোকে তীর্থ-স্নান কৰিছে, আৰু তেওঁলোকেই সার্থক বেদ অধ্যয়ন আদি কৰিছে।।২১২ —শ্রীভা ঃ 3/33/৭১/২)

প্রকৃততে নাম লোৱাৰ পৰা, যজ্ঞ, তীর্থ, তপ, বেদ অধ্যয়ন আদিতকৈ বেচি ফল লাভ হয় — স্কন্দপুৰাণত কৈছে —

কোটি অযুত গো দান, অযুত কন্যা দান, সহস্রকোটি তীর্থভ্রমণ আদিতকৈয়ো হৰি কীর্ত্তন শ্রেষ্ঠ।।২১৩

পদ্মপুৰাণত —

সর্ব্বতীর্থ ভ্রমণ, সর্ব্বযজ্ঞ সম্পাদন আদিত যি ফল ৰাম নামত তাতোকৈ কাটিগুণ ফল পায়। হে পার্ব্বতী, সর্ব্ববেদ অধ্যয়ন, সর্ব্বমন্ত্র জপ আদিতকৈ কোটিগুণ ফল ৰাম নামতে পায়।।২১৪

সর্ব্বতীর্থৰ জল বিষ্ণুৰ সহস্র নামৰ এক অংশৰ তুল্যও নহয়। ২১৫

বিশ্বমিত্র সংহিতাত—

বেদাদিৰ জ্ঞান আৰু তীর্থ-ভ্রমণ হৰি কীর্ত্তনৰ কোটি ভাগৰ এভাগো নহয়।।২১৬

বিষ্ণুধর্ম্মোত্তৰত—

গ্রহণ কালত কোটি গো দান, গঙ্গা প্রয়াগত দশ কল্প বাস অযুত যজ্ঞ সম্পাদন, মেৰু প্রমাণ সুবর্ণ দান, এইবোৰ গোবিন্দ কীর্ত্তনৰ এশ ভাগৰ এভাগৰ সমানো নহয়।।২১৭

চ্যবন স্মৃতিত —

শ্রুতি, স্মৃতি, পুৰাণত ৰাম নামেই সাৰ। ইয়াতকৈ ডাঙৰ পুণ্য, তিনিলোকত নাই।।২১৮

বোদ্ধায়ন সংহিতাত—

নাম সঙ্কীর্ত্তনৰ পুণ্য যি লোকে সঞ্চয় নকৰে সেই লোক শত শত জন্ম নানা ব্যাধিযুক্ত হৈ থাকে।২১৯

বিষ্ণুৰহস্যত —

যি মূহূর্ত্তত বাসুদেৱৰ নাম লোৱা নহয় সেয়ে হানি, সেয়ে ছিদ্র, সেয়ে মোহ আৰু ভ্রান্তি।।২২০

১১.৩.১ সাধাৰণ আলোচনা

পূর্বৱর্তী অধ্যায়ত কৰা আলোচনাৰ পৰা আপুনি ইতিমধ্যে অৱগত যে সংস্কৃত ভাষাত ৰচিত *শ্রীমদ্ভক্তিৰিৱেক* বা *ভক্তি-বিবেক* এখনি ভক্তি প্রতিপাদক প্রকৰণ গ্রন্থ। আমি অধ্যয়ন কৰিবলগীয়া দ্বিতীয়টো অধ্যায়ৰ শিৰোনাম হ'ল 'গুৰু-শিষ্য নির্ণয়'।

গুৰু-শিষ্য নির্ণয়ত অধ্যায়টোত গ্রন্থখনৰ প্রণেতা ভট্টদেৱে উত্তম, মংগল, শ্রেষ্ঠ ভগৱৎ ভক্তিৰ বিষয়ে জানিবলৈ ইচ্ছা কৰা সকলক গুৰুৰ শৰণাপন্ন হ'বলৈ নির্দেশ দিছে। লগতে সেই জ্ঞানীজনৰ পৰা নানা প্রশ্ন, উপদেশ বুজিবলৈও নির্দেশ দিছে।

ভাগৱতৰ পৰা চয়ন কৰা শ্লোকেৰে তেওঁ কৈছে — "যিলোকে উত্তম মংগল অর্থাৎ শ্রেষ্ঠ ভগৱৎভক্তি লক্ষণ জানিবলৈ ইচ্ছা কৰে তেওঁ শব্দব্রহ্ম আৰু পৰব্রহ্ম বিষয়ৰ যথার্থ তত্ত্বজ্ঞানী আৰু উপশান্ত গুৰুৰ শৰণাপন্ন হ'ব।" আমি জানোঁ যে ভক্তি ধর্মত গুৰুৰ স্থান কিমান। মাধৱদেৱৰ ৰচনাত তেওঁৰ গুৰু শংকৰদেৱক কেনে স্থান দিছিল সেই বিষয়ে ইতিমধ্যে আপুনি অধ্যয়ন কৰি আহিছে। ঠিক তেনেদৰেই ভট্টদেৱেও বিভিন্ন গ্রন্থৰ পৰা সাৰভাগ সংগ্রহ কৰি এই অধ্যায়টোত গুৰু-শিষ্য কেনে হোৱা উচিত সেই বিষয়ে মত পোষণ কৰিছে।

বেদজ্ঞসকলৰ গুণানুকীর্ত্তন কৰি ভক্তিনিষ্ঠ লোকসকলহে যে গুৰু হ'ব পাৰে তাৰো কাৰণ ইয়াত উল্লেখ কৰা হৈছে। ব্রহ্মাৰ দৰে গুৰু সকলোৰে পূজ্য। নানা শাস্ত্র জানিলেও ভক্তি নহ'লে তেওঁ গুৰু হ'ব নোৱাৰে, কাৰণ ভক্তি যুক্তজনেই ত্রিভুৱন উদ্ধাৰ কৰিব পাৰে আৰু তেৱেঁই গুৰু। হৰি পৰায়ণ লোকেই গুৰু। গুৰুৰেই ব্রহ্মা, বিষ্ণু, মহেশ্বৰ, তেৱেঁই পৰম ব্রহ্ম। গুৰুক যি ভাবেৰে সেৱা কৰা হয় ভগৱানেও তেনেদৰেই কৃপা কৰে। আত্মীয় আৰু জগৎগুৰুৰ পৰিচয়ো নানা শ্লোকৰ মাজেৰে ইয়াত দাঙি ধৰা হৈছে। উদাহৰণস্বৰূপে আমি 48 নম্বৰ শ্লোকত তেওঁ *স্কন্দ পুৰাণৰ* পৰা উল্লেখ কৰা "তেৱেঁ মাতা, তেৱেঁ পিতা, তেৱেঁ প্রভু, তেৱেঁ হৰি, বন্ধু, সুহৃদ, তেৱেঁই, যিজনে হৰিপাদপদ্ম লাভৰ উপদেশ দিয়ে।" বুলি কোৱাৰ প্রসংগ উল্লেখ কৰিব পাৰোঁ।

এই অধ্যায়টিত *ভাগৱত, পদ্মপুৰাণ, শ্বেতাশ্বতৰ উপনিষদ, বৃহৎ নাৰায়ণ পুৰাণ, নাৰদীয় পুৰাণ* আদিৰ পৰা সংগ্রহ কৰা শ্লোকৰ জৰিয়তে গুৰু যে পৰম সর্বদেৱময় তাকে কোৱা হৈছে। গুৰুক অপমানিত কৰিলে নৰক যন্ত্রণা হয়, গুৰুক ত্যাগ কৰিলে হৰিক ত্যাগ কৰা বুজায়, বোধ কলুষিত হয় তথা দুষ্ট বুদ্ধি প্রকাশ পায়। গুৰু নির্ণয়ৰ লগতে শিষ্যৰ কৰণীয়ৰ বিষয়েও অধ্যায়টিত উল্লেখ আছে। গুৰুৰ প্রতি তত্ত্বজ্ঞানাকাংক্ষী তথা সত্যবাদী হোৱা জনহে প্রকৃত শিষ্য। সেয়ে তেওঁ *শ্রীমদ্ভাগৱতত* উল্লেখ থকা শিষ্যৰ লক্ষণ গ্রন্থখনত সন্নিৱিষ্ট কৰিছে — "বিনয়ী, মাৎসর্য্যহীন, উদ্যোগী, ধনাদিত মমতাশূন্য, গুৰু আৰু শ্রীহৰিৰ প্রতি দৃঢ় অভিযুক্ত, অব্যগ্র আৰু তত্ত্বজ্ঞানাকাংখী, ঈর্ষাশূন্য আৰু সত্যবাদী লোকেই শিষ্য হোৱাৰ যোগ্য।" বুলিও মত পোষণ কৰিছে।

আনকি "কৃতার্থ হোৱাৰ পিছতো যে গুৰু সেৱা শিষ্যৰ নিত্য ধর্ম্ম ইয়াকে" এই অধ্যায়টিত কোৱা হৈছে। এনেদৰে বিভিন্ন উক্তি আৰু যুক্তিৰ মাজেৰে গুৰু-শিষ্য নির্ণয় খণ্ডটি সামৰা হৈছে। মূল পাঠখিনি অধ্যয়ন কৰোঁতে আপুনি নিশ্চয় মন কৰিছে যে ইয়াত সংকলিত হোৱা শ্লোকসমূহৰ অধিকাংশই *শ্রীমদ্ভাগৱতৰ* পৰা সংগ্রহ কৰা।

আমি অধ্যয়ন কৰিবলগীয়া দ্বিতীয়টো পাঠ হ'ল *ভক্তি-বিবেক* গ্রন্থখনৰ চতুর্থ অধ্যায় 'নাম মাহাত্ম্য'। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোৱেই যে এই অধ্যায়টো বহু দীঘলীয়া হোৱা বাবে সম্পূর্ণ পাঠটো আমাৰ পাঠ্যবিষয়ত অন্তর্ভুক্ত কৰাৰ পৰিৱর্তে অধ্যায়টোৰ প্রথম 48 টা শ্লোকৰ ভাঙনিহে আমি অধ্যয়ন কৰিব লাগিব। অধ্যায়টোৰ

শিৱোনামটোৱেই আমাক ধাৰণা প্ৰদান কৰে যে ইয়াত নামৰ মাহাত্ম্য ঘোষণা কৰা শ্লোকসমূহ সংকলিত কৰি নামৰ অপৰিমিত মাহাত্ম্য বৰ্ণনা কৰা হৈছে। বিভিন্ন *পুৰাণ, সংহিতা* আদিৰ পৰা শ্লোক সংগ্ৰহ কৰি বিষ্ণুৰ নাম স্মৰণে যে মানুহৰ সকলো পাপ দূৰ কৰে, নানা সংকটৰ পৰা পৰিত্ৰাণ কৰে, ৰোগ-পীড়াৰ পৰা মুক্তি দিয়ে, হৰিৰ নামেই যে সকলো বিপদৰ মুক্তিৰ পথ — সেয়াই এই অধ্যায়টোত বৰ্ণনা কৰা হৈছে। এই অধ্যায়টোৰ আমি অধ্যয়ন কৰিবলগীয়া পাঠাংশ *শ্ৰীমদ্ভাগৱত, স্কন্ধপুৰাণ, অগ্নিপুৰাণ, বায়ুপুৰাণ, বৈষ্ণৱ পুৰাণ, বিষ্ণু পুৰাণ, গৰুড় পুৰাণ, পৰাশৰ সংহিতা, স্কন্ধ পুৰাণ, বৃহদ্বিষ্ণু পুৰাণ, নাৰদীয় পুৰাণ, বিষ্ণুধৰ্ম্মোত্তৰ, ইতিহাসোত্তম, পতঞ্জল সংহিতা, বিশ্বমিত্ৰ সংহিতা, চ্যবন স্মৃতি, বোদ্ধায়ন সংহিতা, বিষ্ণুৰহস্যৰ* পৰা সংগ্ৰহিত শ্লোকেৰে সজোৱা হৈছে। ভট্টদেৱে কৈছে — "শ্ৰুতি, স্মৃতি, পুৰাণত ৰাম নামেই সাৰ। ইয়াতকৈ ডাঙৰ পুণ্য, তিনিলোকত নাই।" ঠিক সেইদৰে *পদ্মপুৰাণৰ* পৰা তুলি আনি কৈছে — "যিজনে অনাময় নিত্য নাৰায়ণৰ নাম কীৰ্ত্তন কৰে তেওঁ মহাপাতকৰ সংকটৰ পৰা পৰিত্ৰাণ পায়, ইয়াত সন্দেহ নাই।" এই কথাখিনিৰ পৰাই আমাৰ ধাৰণা হয় যে নাম মাহাত্ম্যই কেনেদৰে ভাগৱতী ধৰ্মত এক বিশিষ্ট আসন অধিকাৰ কৰি আছে।

শংকৰদেৱ আৰু মাধৱদেৱেও তেওঁলোকৰ ৰচনাত বিভিন্ন ঠাইত নামৰ মাহাত্ম্য উল্লেখ কৰি গৈছে। উদাহৰণ স্ৱৰূপে আমি *কীৰ্ত্তনৰ* 'অজামিল উপাখ্যান'ৰ কথা বা *নামঘোষাৰ*

হৰি নাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰন লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি।। ২৮

— এই কূট ঘোষাৰ কথা উল্লেখ কৰিব পাৰোঁ।

এনেদৰে 'নাম মাহাত্ম্য' অধ্যায়টোত বিভিন্ন শ্লোকেৰে নামৰ মাহাত্ম্য ঘোষণা কৰা হৈছে। মন কৰিবলগীয়া যে ইয়াত ভট্টদেৱে *শ্ৰীমদ্ভাগৱতৰ* উপৰি বিভিন্ন পুৰাণ, সংহিতা, উপনিষদ আদিৰ পৰাও শ্লোক সংগ্ৰহ কৰি সংকলিত কৰিছে। এই অধ্যায় দুটাত পোনে পোনে শংকৰ-মাধৱ প্ৰচাৰিত নৱ-বৈষ্ণৱ ধৰ্মৰ সৈতে দমোদৰীয়া পন্থাৰ বৈসাদৃশ্যবোৰ ফুটি উঠা নাই যদিও আমি অধ্যয়ন কৰিবলগীয়া শেষৰটো শ্লোকত উল্লেখ আছে — " যি মূহূৰ্ত্তত বাসুদেৱৰ নাম লোৱা নহয় সেয়ে হানি, সেয়ে ছিদ্ৰ, সেয়ে মোহ আৰু ভ্ৰান্তি।" ইয়াত কৃষ্ণক 'বাসুদেৱ' বুলি গণ্য কৰাৰ ধাৰণাটি প্ৰতিপাদিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'গুৰু-শিষ্য নির্ণয়' খণ্ডটিত সংগ্রহিত শ্লোকসমূহ মূলতঃ কৰ পৰা সংগ্রহ কৰা ?

.....

প্রশ্ন নং ২ ঃ 'নাম মাহাত্ম্য'ত সংকলিত শ্লোকসমূহৰ মূল পুথি 6 খনৰ নাম উল্লেখ কৰক।

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'গুৰু-শিষ্য নির্ণয়'ত অধ্যায়টোত গ্রন্থখনৰ প্রণেতা ভট্টদেৱে উত্তম, মংগল, শ্রেষ্ঠ ভগৱৎ ভক্তিৰ বিষয়ে জানিবলৈ ইচ্ছা কৰা সকলক গুৰুৰ শৰণাপন্ন হ'বলৈ নির্দেশ দিছে। লগতে সেই জ্ঞানীজনৰ পৰা নানা প্রশ্ন, উপদেশ বুজিবলৈও নির্দেশ দিছে। এই অধ্যায়টোত তেওঁ শিষ্য কেনে হোৱা উচিত সেয়াও ব্যক্ত কৰিছে।
- 'নাম মাহাত্ম্য' অধ্যায়টোত নামৰ অপৰিমিত মাহাত্ম্য বর্ণনা কৰা হৈছে। বিভিন্ন *পুৰাণ, সংহিতা* আদিৰ পৰা শ্লোক সংগ্রহ কৰি বিষ্ণুৰ নাম স্মৰণে যে মানুহৰ সকলো পাপ দূৰ কৰে, নানা সংকটৰ পৰা পৰিত্রাণ কৰে, ৰোগ-পীড়াৰ পৰা মুক্তি দিয়ে, হৰিৰ নামেই যে সকলো বিপদৰ মুক্তিৰ পথ — সেয়াই এই অধ্যায়টোত বর্ণনা কৰা হৈছে। আমাৰ পাঠ্যবিষয়ত সন্নিৰিষ্ট পাঠাংশতো সেয়াই প্রতিপন্ন হৈছে।
- আমাৰ আলোচ্য অধ্যায় দুটাৰ মূল কি আছিল আৰু তাৰ মাজেদি ভট্টদেৱে কেনেদৰে তেওঁৰ ধর্মমতৰ ধাৰণা দাঙি ধৰিছিল সেয়াও অধ্যায়টিত চমুকৈ আলোচনা কৰা হ'ল।



১১.৫ অধিক জানিবলৈ

1) গোস্বামী, উপেন্দ্র নাথ [2012]; *ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ মণিমাণিক প্রকাশ।
2) নেওগ, মহেশ্বৰ [1963]; *শ্রীভাগৱত-কথা (প্রথম স্কন্ধ);* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
3) নেওগ, মহেশ্বৰ [1986]Ê, *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* ডিব্রুগড় ঃ বাণীমন্দিৰ।
4) বর্মন, শিৱনাথ (সম্পাঃ) [1977]Ê, *অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড);* উত্তৰ গুৱাহাটী

ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।
5) বৰা শইকীয়া, লীলাৱতী [1992]Ê, *ভাষা সাহিত্যৰ সুবাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।
6) ভট্টাচার্য, বসন্ত কুমাৰ [1994]; *মধ্যযুগৰ সাহিত্য;* নলবাৰী ঃ সমন্বয় গ্রন্থালয়।
7) লেখাৰু, উপেন্দ্রচন্দ্র (অনু.) [1990]Ê, *ভক্তি-বিবেক;* গুৱাহাটী ঃ অসমী প্রকাশন।
8) শর্মা, দেবেন্দ্র নাথ [1987]Ê, *কথা-গীতা;* নলবাৰী ঃ জার্নাল এম্প'ৰিয়াম।
9) শর্মা, দেৱব্রত [1998]Ê, *পুৰণি সাহিত্যৰ সুবাস;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
10) শর্মা, সত্যেন্দ্রনাথ [1986]Ê, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রিণ্টিং এণ্ড পাব্লিছিং।

১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'গুৰু-শিষ্য নির্ণয়' খণ্ডটিত সংগ্রহিত শ্লোকসমূহ মূলতঃ *ভাগৱতৰ* পৰা সংগ্রহ কৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ 'নাম মাহাত্ম্য'ত সংকলিত শ্লোকসমূহৰ মূল পুথি 6 খনৰ নাম হ'ল — *স্কন্দপুৰাণ, অগ্নিপুৰাণ, পৰাশৰ সংহিতা, স্কন্দ পুৰাণ, চ্যবন স্মৃতি* আৰু *বিষ্ণুৰহস্য।*

১১.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ লিখক —

(ক)বাসুদেৱৰ কীর্ত্তনত বহুজন্মৰ মহাপাপ তৎক্ষণাত ধ্বংস হয়।

(খ) বল কৰি ব্রাহ্মণৰ সর্ব্বস্ব হৰণ কৰিলেও, সুৰাপান বা ব্রহ্মবধ পাপ কৰিলেও বিষ্ণুকীর্ত্তনৰ দ্বাৰা পবিত্র হয়।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

(ক) গুৰু-শিষ্য নির্ণয় (খ) নাম মাহাত্ম্য

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভট্টদেৱৰ *ভক্তি বিবেকত* 'গুৰু-শিষ্য নিৰ্ণয়' অধ্যায়টিৰ সাৰ অংশ আপোনাৰ নিজৰ ভাষাত আলোচনা কৰক।

প্ৰশ্ন ২ ঃ *ভক্তি-বিবেক* গ্ৰন্থখনৰ 'নাম মাহাত্ম্য'ত নামৰ মাহাত্ম্য কেনেদৰে প্ৰতিপাদিত কৰা হৈছে বিশ্লেষণ কৰক।

*** ***** ***